# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 24-08-2025 **Time :** 0900 Hrs.

## Assamese Morning Bulletin
## Headlines

১। অসম আৰু নাগালেণ্ডৰ মুখ্যমন্ত্ৰীৰ মাজত আলোচনাৰ পাছতহে উৰিয়ামঘাটৰ উচ্ছেদিত ভূমিত গছপুলি ৰোপণৰ সিদ্ধান্ত।

২। ৰাজ্যৰ বিভিন্ন প্ৰান্তত এইচ আই ভি পজিটিভ ৰোগীৰ সংখ্যা বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি স্বাস্থ্য বিভাগৰ ব্যাপক সজাগতা।

৩। বি টি চি নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত অসম আৰক্ষী সঞ্চালক প্ৰধানৰ কোকৰাঝাৰত আইন-শৃংখলা পৰিস্থিতি পৰ্যালোচনা।

৪। একাংশ সংবাদ মাধ্যমে জনগণৰ আস্থা হেৰুওৱাৰ পৰিপ্ৰেক্ষিতত বিকল্প মাধ্যমৰ প্ৰয়োজন হৈছে বুলি আকাশবাণীৰ দৃষ্টিপাতত জ্যেষ্ঠ সাংবাদিকৰ মন্তব্য।

*আৰু*

৫। নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ একেৰাহে দ্বিতীয়বাৰৰ বাবে ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত খিতাপ অৰ্জন।

00000000

অসম আৰু নাগালেণ্ডৰ মুখ্যমন্ত্ৰীৰ মাজত পৰৱৰ্তী পৰ্যায়ৰ আলোচনাৰ পাছতহে উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলৰ উচ্ছেদিত ভূমিত গছপুলি ৰোপণ কৰা হ'ব। কালি ৰাজ্যৰ বন আৰু পৰিৱেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু নাগালেণ্ডৰ উপ-মুখ্যমন্ত্ৰী তথা গৃহ আৰু সীমা বিভাগৰ মন্ত্ৰী ৱাই পেট্টনৰ নেতৃত্বত দুয়োখন ৰাজ্যৰ চৰকাৰী প্ৰতিনিধিৰ দলে বনাঞ্চলখনৰ উচ্ছেদিত ভূমি পৰিদৰ্শন কৰে। ইয়াৰ পাছতে দলটোৱে উৰিয়ামঘাটৰ বিদ্যাপুৰ খেল-পথাৰত গছপুলি ৰোপন সন্দৰ্ভত এখন বিশেষ বৈঠকত মিলিত হয়। বৈঠকৰ পাছত নাগালেণ্ডৰ মন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে ৰেংমা বনাঞ্চলখন অসম আৰু নাগালেণ্ডৰ বিবদমান অঞ্চল হোৱা হেতুকে বিষয়টো এতিয়াও ন্যায়ালয়ত বিচাৰাধীন হৈ আছে। এনে পৰিস্থিতিত কোনো এখন ৰাজ্যই এই অঞ্চলত নিজাববীয়াকৈ কাম-কাজ কৰিব নোৱাৰে। দুয়োখন ৰাজ্যৰ মাজৰ সিদ্ধান্তমৰ্মেহে পৰৱৰ্তী সময়ত গছপুলি ৰোপণ কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। ইপিনে, বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়েও অনুৰূপ মন্তব্য প্ৰদান কৰাৰ লগতে কয়, যে বনাঞ্চলখনত বনানীকৰণ কৰা হ'ব আৰু প্ৰয়োজন সাপেক্ষে উচ্ছেদৰ কামো চলি থাকিব।

উল্লেখযোগ্য যে উচ্চতম ন্যায়ালয়ে উৰিয়ামঘাটৰ উচ্ছেদ অভিযানত স্থগিতাদেশ জাৰি কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায়ৰ বিৰুদ্ধে ৭৩ টা পৰিয়ালে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়াধীশ পি নৰসিমহা আৰু অতুল চন্দুকাৰৰ বিচাৰপীঠে পৰৱৰ্তী শুনানি পৰ্যন্ত এই স্থগিতাদেশ জাৰি কৰে। উচ্চতম ন্যায়ালয়ে এই সন্দৰ্ভত অসম চৰকাৰ আৰু গোলাঘাট জিলা প্ৰশাসনলৈ জাননী জাৰি কৰিছে।

গোৱালপাৰা জিলা প্ৰশাসনে কালি মাটিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত ৰাক্ষসিনী অঞ্চলত উচ্ছেদ অভিযান চলাই ১০৫ খন ব্যৱসায়িক প্ৰতিষ্ঠান উচ্ছেদ কৰে।

নগাঁও জিলা প্ৰশাসনেও ধিং ৰাজহ চক্ৰৰ অধীনৰ ডাগৰ আৰু আলিটাঙনি মৌজাৰ জেঙনি তিনিআলিত ২৭ আগষ্টত উচ্ছেদ চলাব।

00000000

ৰাজ্যৰ বিভিন্ন প্ৰান্তত এইচ আই ভি পজিটিভ ৰোগীৰ সংখ্যা বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি স্বাস্থ্য বিভাগে ব্যাপক সজাগতাৰ সৃষ্টি কৰিছে। ইয়াৰ বাবে জিলাই জিলাই এইচ আই ভি পৰীক্ষণ শিবিৰৰ আয়োজন কৰা হৈছে। স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত প্ৰতিদিনে নতুনকৈ ৫-৬ জন এইচ আই ভি পজিটিভ ৰোগী চিনাক্ত হৈছে। যোৱা বছৰত চিকিৎসা মহাবিদ্যালয়খনত নতুনকৈ ৯ হাজাৰ ১৫০ জন এইচ আই ভি পজিটিভ ৰোগীয়ে চিকিৎসা গ্ৰহণ কৰে। ইয়াকে লৈ চিকিৎসা মহাবিদ্যালয়খনত বৰ্তমান প্ৰায় ১০ হাজাৰ এইচ আই ভি সংক্ৰমিত ৰোগীয়ে নিয়মীয়াকৈ চিকিৎসা সেৱা গ্ৰহণ কৰি আছে।

স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি বিগত ৭ মাহত কামৰূপ জিলাত নতুনকৈ ৯০০ জন এইচ আই ভি পজিটিভ ৰোগী চিনাক্ত হৈছে। একেদৰে শোণিতপুৰ জিলাত বিগত ৪ মাহত নতুনকৈ ২২৬ জন এইচ আই ভি পজিটিভ ৰোগী ধৰা পৰিছে।

যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালতো বৰ্তমান দুহেজাৰ ১০৩ জন এইচ আই ভি পজিটিভ ৰোগীয়ে চিকিৎসা গ্ৰহণ কৰি আছে বুলি স্বাস্থ্য বিভাগৰ তথ্যত প্ৰকাশ পাইছে।

oooooooo

সমাগত বিটিচি নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে কালি কোকৰাঝাৰ জিলা ভ্ৰমণ কৰি জিলাখনৰ আইন-শৃংখলা পৰিস্থিতি পৰ্যালোচনা কৰে। তেওঁ জিলা আৰক্ষী বিষয়াসকলৰ সৈতে বৈঠকতো মিলিত হয়। সঞ্চালক প্ৰধানগৰাকীয়ে নিৰ্বাচন শান্তিপূৰ্ণ আৰু নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে আইন শৃংখলা ব্যৱস্থা শক্তিশালী কৰি তুলিবলৈ নিৰ্দে্শ দিয়ে। তেওঁ লগতে এই নিৰ্বাচন পৰিচালনাৰ বাবে অসম আৰক্ষী সম্পূৰ্ণৰূপে সাজু বুলিও মন্তব্য কৰে। সাংবাদিক আগত শ্ৰী সিঙে কয় –

বাইট

oooooooo

কাছাৰ জিলাৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ অগ্ৰগতি পৰ্যালোচনা কৰি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই সন্তুষ্টি প্ৰকাশ কৰিছে। ৰাজ্যপালগৰাকীয়ে কালি শিলচৰৰ কাছাৰ জিলা প্ৰশাসনৰ কাৰ্যালয়ত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত বিভাগীয় বিষয়াসকলৰ সৈতে মিলিত হয়। পাছত তেওঁ সাংবাদিকৰ আগত কয়, যে কাছাৰৰ উন্নয়নমূলক কামকাজত তেওঁ সন্তুষ্টি লাভ কৰিছে। এই প্ৰচেষ্টাই অনাগত দিনত জিলাখনত অধিক উন্নয়নৰ পথ মুকলি কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

বাইট

দুদিনীয়া ভ্ৰমণসূচীৰে শিলচৰলৈ যোৱা ৰাজ্যপালগৰাকীয়ে নিচামুক্ত সমাজ গঢ়াৰ বাবে যোগ শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায়। তেওঁ যুৱক-যুৱতীসকলক ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিত অন্তৰ্ভুক্ত হ'বলৈ উৎসাহিত কৰে। তেওঁ লগতে ৰাজ্যখনক যক্ষ্মামুক্ত কৰাৰ বাবে নিক্ষয়মিত্ৰ পদক্ষেপক অধিক জনপ্ৰিয় কৰিবলৈ আহ্বান জনায়। ৰাজ্যপাল শ্ৰী আচাৰ্যই আজি ৰামকৃষ্ণ মিছন পৰিদৰ্শন কৰাৰ লগতে ৰেডক্ৰছ শিশু চিকিৎসালয়ো পৰিদৰ্শন কৰিব।

oooooooo

একাংশ সংবাদ মাধ্যমে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হিচাপে সতৰ্ক প্ৰহৰীৰ মূল ভূমিকাৰ পৰা আঁতৰি যোৱাৰ পৰিপ্ৰেক্ষিতত পঞ্চম স্তম্ভৰ প্ৰয়োজন হৈছে। কালি আকাশবাণীৰ দৃষ্টিপাত অনুষ্ঠানত কেইবাগৰাকীও জ্যেষ্ঠ সাংবাদিকে এই বিষয়ে প্ৰকাশ কৰে। অনুষ্ঠানটোত জ্যেষ্ঠ সাংবাদিক দ্যা হিন্দু কাকতৰ উত্তৰ পূৰ্বাঞ্চলৰ প্ৰাক্তন ব্যুৰো চীফ সুশান্ত তালুকদাৰে কয়, যে সংবাদ মাধ্যমৰ স্বত্বাধিকাৰ সলনি হোৱাৰ লগে লগে সাংবাদিকতাৰ ধাৰাও সলনি হৈছে।

বাইট

তেজপুৰৰ মহাজাতি আৰু অগ্নিগড় কাকতৰ প্ৰাক্তন সহযোগী সম্পাদক অঞ্জন গোস্বামীয়ে কয় যে সাম্প্ৰতিক সময়ত বহু সংবাদ মাধ্যমে গণতন্ত্ৰৰ সতৰ্ক প্ৰহৰী হ'ব পৰা নাই।

বাইট

জ্যেষ্ঠ সাংবাদিক মনোৰম গগৈয়ে অনুষ্ঠানটোত কয়, যে বহু সংবাদ মাধ্যমে পূৰ্বৰ বিশ্বাসযোগ্যতা হেৰুওৱা হেতুকে বিকল্প আৰু বিশ্বাসযোগ্য শক্তিশালী মাধ্যমৰ প্ৰয়োজন আহি পৰিছে।

স্তম্ভলেখক শংকৰ শইকীয়াইও অনুষ্ঠানটোত অনুৰূপ মত প্ৰকাশ কৰি চতুৰ্থ স্তম্ভই সতৰ্ক প্ৰহৰীৰ ভূমিকা পালনত অপাৰগ হোৱা হেতুকে ৰাইজে নিজেই নিজৰ বাবে পঞ্চম স্তম্ভ নিৰ্মাণ কৰিব বুলি মন্তব্য কৰে।

বাইট

এই অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ১৩ ছেপ্তেম্বৰত ছাইৰাঙত মিজোৰামৰ প্ৰথমটো ৰে'ল ষ্টেচন উদ্বোধন কৰিব। মিজোৰামৰ মুখ্যমন্ত্ৰী লালডুঅ'মাই শুকুৰবাবে এই কথা প্ৰকাশ কৰে। ৫১ দশমিক ৩-৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ বৈৰবী-ছাইৰাং সংযোগী ব্ৰজগজ ৰে'ল পথ অভিযান্ত্ৰিক সাফল্যৰ উজ্জ্বল নিদৰ্শনৰূপে পৰিগণিত হৈছে। এই পথছোৱাত ৪৮ টা সুৰংগ আৰু ৫৫ খন দলং আছে। এই ৰে'ল পথছোৱাত ১০৪ মিটাৰ উচ্চতাত দেশৰ সবাটোকৈ ওখ ৰে'ল সেতুও আছে। ২০০৮-০৯ চনত আৰমম্ভ কৰা এই প্ৰকল্পৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে আৰু ৰে'ল সুৰক্ষা আয়ুক্তই ইতিমধ্যে পথছোৱাৰে পৰীক্ষণমূলক ৰে'ল চলাচল সম্পন্ন কৰিছে। পথছোৱাৰে ছেপ্তেম্বৰৰ পৰা যাত্ৰীসেৱা আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। ৰে'ল বিভাগে প্ৰকাশ কৰা মতে এই ৰে'ল পথছোৱাই পৰিবহন ব্যায় হ্ৰাস কৰাত সহায় কৰিব আৰু মিজোৰামৰ অৰ্থব্যৱস্থা সুদৃঢ় কৰাত সহায় কৰিব। ৰাজ্য চৰকাৰে ছাইৰাঙক অত্যাধুনিক সা-সুবিধাৰে সৈতে বিশ্বমানৰ ষ্টেচনৰূপে বিকশাই তোলাৰ পৰিকল্পনা কৰিছে।

00000000

মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই কাইলৈ নাগালেণ্ডৰ নতুন ৰাজ্যপাল হিচাপে শপতগ্ৰহণ কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নাগালেণ্ডৰ ৰাজ্যপাল লা গণেশনৰ মৃত্যুৰ এদিন পাছত যোৱা ১৬ আগষ্টত অজয় কুমাৰ ভাল্লাক নাগালেণ্ডৰ ৰাজ্যপালৰ অতিৰিক্ত দায়িত্ব অৰ্পণ কৰিছিল।

00000000

নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবে ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত পুনৰ খিতাপ জয় কৰি দ্বিতীয়বাৰৰ বাবে এই প্ৰতিযোগিতাৰ ছেম্পিয়ন হোৱাৰ গৌৰৱ অৰ্জন কৰিছে। কলকাতাৰ ছল্ট লেক যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত ফাইনেলত কালি দলটোৱে ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাবক ৬-১ গ'লত পৰাস্ত কৰে। খেলৰ প্ৰথমাৰ্ধত নৰ্থ ইষ্ট ইউনাইটেডে দুটা গ'ল দি বিপক্ষক চাপত ৰাখিবলৈ সমৰ্থ হয়। ইয়াৰ পাছতে ৫০, ৬৮, ৮১ আৰু ৮৬ মিনিটত দলটোৱে বাকী গ'লকেইটা দিবলৈ সমৰ্থ হয়। ইয়াৰ মাজতে ৬৮ মিনিটত ডায়মণ্ড হাৰ্বাৰ দলে প্ৰথম আৰু একমাত্ৰ গ'লটো দিয়ে। নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ হৈ আচিৰ আখটাৰ, পাৰ্থিৱ গগৈ, থৈ সিং, আজাৰাই, এণ্ড্ৰেছ য'ছ, জাইৰ' বুস্তাৰাই গ'ল দিয়ে। ডায়মণ্ড হাৰ্বাৰৰ হৈ লুকা মাইছেনে একমাত্ৰ গ'লটো দিয়ে। প্ৰতিযোগিতাত ৮ টা গ'ল দিয়া আজাৰাই গল্ডেন ব'ল আৰু গল্ডেন বুট লাভ কৰে। নৰ্থ ইষ্ট ইউনাইটেডৰ গুৰমিতক শ্ৰেষ্ঠ গ'লৰক্ষকৰ সন্মান দিয়া হয়।

00000000

তামিলনাডুৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত ৬৪ সংখ্যক ৰাষ্ট্ৰীয় আন্তঃৰাজ্যিক ছিনিয়ৰ এথলেটিক্‌ছ প্ৰতিযোগিতাৰ ৪০০ মিটাৰ দৌৰত অম্লান বৰগোহাঁইয়ে ব্ৰঞ্জৰ পদক লাভ কৰিছে। অম্লানে কালি ২১

দশমিক ১ - ৯ ছেকেণ্ডত দৌৰ সমাপ্ত কৰি প্ৰতিযোগিতাত তৃতীয় স্থান দখল কৰে। এই শিতানত অনিমেষ কুজুৰে স্বৰ্ণ আৰু ৰাগুল কুমাৰে ৰূপৰ পদক লাভ কৰে।

০০০০০০০০

NEWS PAPER REV/RNU (24-08-2025) MORN

বহুল পৰিচিত দুবিধ ঔষধী গুণসম্পন্ন উদ্ভিদৰ পৰীক্ষিত সংমিশ্ৰণেৰে শৰীৰৰ মেদ বহুলতা আৰু ইয়াৰ সৈতে জড়িত জটিলতাসমূহ সমাধান কৰিব পৰা উদ্ভিদজাত পথ্য প্ৰস্তুতকৰণেৰে অসমৰ চাৰিগৰাকী গৱেষকে ভাৰতীয় পেটেণ্ট কাৰ্যালয়ৰ পৰা আনুষ্ঠানিকভাৱে পেটেণ্ট লাভ কৰিছে। বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰকাশ কৰিছে।

উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত উচ্ছেদিত ভূমি বিবদমান অঞ্চল হৈ থকাৰ পৰিপ্ৰেক্ষিতত কালি অসম আৰু নাগালেণ্ডে যৌথভাৱে গ্ৰহণ কৰা গছপুলি ৰোপণ কাৰ্যসূচী বাতিল কৰা হয়। বাতৰিটো দি আছাম ট্ৰিবিউনৰ লগতে অন্যান্য কাকতেও প্ৰকাশ কৰিছে।

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে সামগ্ৰীৰ ক্ষেত্ৰত শুল্ক আৰোপ কৰাৰ প্ৰত্যুত্তৰত ভাৰতীয় ডাক বিভাগে কাইলৈৰ পৰা ভাৰতৰ পৰা আমেৰিকালৈ অধিকাংশ ডাক সেৱা অস্থায়ীভাৱে বন্ধ কৰি দিব। বাতৰিটো দৈনিক জনমভূমি কাকতৰ।

কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিভিন্ন ৰাজহুৱা প্ৰতিষ্ঠানৰ ব্যক্তিগতকৰণৰ ফলত ২০১৯-২০ৰ পৰা ২০২৪-২৫ বৰ্ষ পৰ্যন্ত লক্ষ্যাধিক স্থায়ী কেন্দ্ৰীয় কৰ্মচাৰীয়ে চাকৰি হেৰুৱাইছে। কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সৱলীকৰাণ মন্ত্ৰী বি এল বাৰ্মাই লোকসভাত জনোৱা এই তথ্যৰে দৈনিক অগ্ৰদূত কাকতে বাতৰি প্ৰকাশ কৰিছে। এই বাতৰিটো অসমীয়া প্ৰতিদিন আৰু আমাৰ অসম কাকতেও প্ৰকাশ কৰিছে।

গোলাঘাট জিলাৰ উৰিয়ামঘাট আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলত ৰাজ্য চৰকাৰে চলোৱা উচ্ছেদ অভিযান সন্দৰ্ভত সকলো পক্ষকে স্থিতাৱস্থাত বাহাল ৰখাৰ বাবে উচ্চতম ন্যায়ালয়ে নিৰ্দেশ দিছে আৰু বিষয়টো সন্দৰ্ভত বন বিভাগ আৰু ৰাজ্য চৰকাৰলৈ জাননী জাৰি কৰিছে। এই বাতৰি দৈনিক অসম কাকতে প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতে ডিমা হাচাওৰ ওমৰাংচু থানাৰ অন্তৰ্গত ২৩ কিল'ত কালি হোৱা এটা পথ দুৰ্ঘটনাত তিনিজন লোকৰ মৃত্যুৰ বাতৰি প্ৰকাশ কৰিছে।

সংসদৰ সদ্য সমাপ্ত বৰ্ষাকালীন অধিৱেশনত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে উত্থাপন কৰা সংবিধান সংশোধনী বিধেয়কৰ জৰিয়তে গ্ৰেপ্তাৰ আৰু এমাহ কাৰাৰুদ্ধ হোৱা মুখ্যমন্ত্ৰী আৰু মন্ত্ৰী, প্ৰধানমন্ত্ৰী আদি স্বতঃস্ফূৰ্তভাৱে ক্ষমতাহীন হোৱাৰ প্ৰস্তাৱে ৰাজনৈতিক দলসমূহৰ মাজত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বাতৰিটো অসমীয়া খবৰ কাকতৰ।

ভাৰতত টিকটক নিষিদ্ধকৰণ উঠাই লোৱা বুলি ওলোৱা বাতৰিসমূহ ভুৱা আৰু বিভ্ৰান্তিকৰ বুলি চৰকাৰীসূত্ৰই প্ৰকাশ কৰিছে। বাতৰিটো দ্যা ছেণ্টিনেল কাকতৰ।

০০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনীৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে বিজুলী-ঢেৰেকনীৰ সৈতে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত সংবাদ চলন্তিকাত মিজোৰামলৈ ৰে'ল সংযোগ সন্দৰ্ভত বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

oooooooo

**সমাপ্ত**